# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## VOL. II

## No. 2

The 31st May. 1983

1985

PRINTED AT THE ASSAM GOVERNMENT PRESS,

GUWAHATI

Proceedings of the Second Session of the Assam Legislative Assembly assembled after the Seventh General Election under Severeign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday the 31st May, 1983 with the Hon. Speaker in the Chair, 19 (ninetien) Ministers, 6(six) Ministers of State, 1 (one) Parliamentary Secretary 6 (six) Deputy Ministers and 71 (Seventy one) Members present.

## QUESTIONS AND ANSWERS

## STARRED QUESTIONS AND ANSWERS

বিঃ মীন মহলৰ আবণ্টন ।

* শ্ৰীকীৰ্ত্তি দত্তই সুধিছে ঃ

৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধেমাজী মহকুমাৰ চেলাচাৰিকুৰিয়া ফিচাৰী বিলখনৰ কাষতে থকা অনুসূচীত সম্প্ৰদায়ৰ মাছমৰীয়া লোকেৰে গঠিত চেলাচাবিকৰিয়া সমবায় সমিতি খনক বঞ্চিত কৰি যোৱা পোন্ধৰ বছৰে মাজুলীৰ শ্ৰীটুনী দাসক উক্ত বিলখন পট্টন দিয়াৰ পাচতো এইবাৰো সেই একেজন মানুহকে আৰু ৮ বছৰৰ কাৰণে উক্ত বিলখন পট্টন দিয়াতো সচানে?

(খ) প্ৰায় ৩৩ হাজাৰ টকাৰ চৰকাৰী কৰ দিবলৈ বাকী থকাৰ পিছতো যোৱা ২৫ বছৰে ভোগা দখল কৰি অহা কঁকিলা ফিচাৰীখনক কমল চন্দ্ৰ দাসৰ পৰিবাৰ শ্ৰীমতী স্বপ্না দাসক পুনৰ চৰকাৰে আণ্টিন দিয়তো সচানে?

(গ) যোৰহাটৰ ব্ৰহ্মপুত্ৰৰ তৃতীয় নদটোৰ কাষতে থকা গৰমুৰা কৈৱৰ্ত মীন শিল্প সমবায় সমিতিক নিদি ভিতৰ কঁকিলৰা প্ৰবীন কুমাৰ দাসক চৰকাৰে পোনপতীয়া ভাবে আবণ্টন দিয়াতো সচানে ?

(ঘ) মীন শিল্প সমবায় সমিতিক তিনি বছৰৰ অধিক কাল কোনো মীন মহল আবণ্টন দিব নোৱাৰা চৰকাৰৰ ঘোষিত নীতি থকা স্বত্বেও গুৱাহাটীৰ এজন ক্ষমতাবান ব্যক্তিক ১৯ বছৰৰ কাৰণে মীন মহল আবণ্টন দিয়াতো সচানে?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

৩। (ক) বেঙেনাআটি মীন শিল্প সমবায় সমিতিক উন্নয়নৰ বাবে আঠ বছৰৰ কাৰণে ম্যাদ বঢ়াই দিয়া হৈছে। শ্ৰীটুনী দাসক ব্যক্তিগত হিচাবে দিয়া হোৱা নাই ।

(খ) সকলোধৰণৰ নথি পত্ৰ সম্পূৰ্ণ ভাবে বিবেচনা কৰাৰ পাচত মীন পট্টন দিয়াৰ ৮ (খ) বিধি অনুযায়ী বিধবা তিৰোতা শ্ৰীমতী স্বপ্না দাসক পুৰণা মহলদাৰৰ নামত ৩(তিনি) বছৰৰ বাবে ম্যাদ বৃদ্ধি কৰা হয়। লগতে এই নিৰ্দ্দেশও দিয়া হয় যে তেও বাকী দবি লগা ২০ (বিশ) হাজাৰ টকা পৰিশোধ কৰিলেহে এই বণ্টন হুকুম কাৰ্য্যকৰী হব।

(গ) সকলোধৰণৰ নথি পত্ৰ সম্পূৰ্ণ ভাবে বিবেচনা কৰাৰ পাচত মীন পট্টন দিয়াৰ ৮(খ) বিধি অনুযায়ী পুৰণা মহলদাৰ শ্ৰীপ্ৰবীন কুমাৰ দাসক ম্যাদ বঢ়াই দিয়া হৈছে ।

(ঘ) যিহেতু মহলদাৰৰ সম্পূৰ্ণ নাম ঠিকনা আৰু মহলৰ নাম দিয়া হোৱা নাই এই প্ৰশ্নৰ উত্তৰ দিয়া সম্ভৱ নহয়।

শ্ৰীহেমেন দাস ঃ মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে প্ৰথম জনক যে ৮ বছৰৰ কাৰণে বিলখন পট্টা দিয়া হৈছে আৰু দ্বিতীয়জনক ৩ বছৰৰ কাৰণে দিয়া হৈছে তাৰ কাৰণ কি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, প্ৰথমটো সংক্ৰান্তত এই মীন মহলটো উন্নয়নৰ কাৰণে দৰখাস্তকাৰীয়ে দৰখাস্ত কৰাত সেই দৰখাস্তৰ ওপৰত জিলা কৰ্তৃপক্ষৰ প্ৰতিবেদন আৰু বিভাগীয় বিষয়াৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি তেঁওলোকক বন্দবস্ত দিয়া হৈছে। দ্বিতীয়টোৰ সংক্ৰান্তত বন্দবস্তি দিয়াৰ গৰাকী চিটিং লেচী আৰু তেঁওৰ আগৰ বাৰত লোকচান হোৱাৰ কাৰণে এই বাৰো দিয়া হৈছে।

শ্ৰীহেমেনদাস ঃ প্ৰথমজনৰ ৮ বছৰৰ কাৰণে অকল মীনমহলৰ উন্নয়নৰ কাৰণে দিয়া হল নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ উন্নয়নৰ কাৰণে দিয়া হৈছে আৰু লগতে মাছো মাৰিব। কিন্তু উন্নয়নৰ কাৰণে তিনি বছৰ পৰ্য্যন্ত যিখিনি খৰচ হব সেইটো লোকচানহে হয় অৱশ্যে তাৰ কিছু অংশ পাৰও চৰকাৰৰ ফালৰ পৰা দিব লগা নহয় ।

শ্ৰীহেমেন দাস ঃ দ্বিতীয়জনে উন্নয়ন কৰিবনে মাছ মাৰিব ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ মাছ মাৰিব, উন্নয়নৰ কাম নকৰে।

শ্ৰীহেমেন দাস ঃ কেৱল উন্নয়ন আৰু মাছ মৰা এই দুয়োটা কামৰ কৰণে ৮ বছৰলৈকে বন্দবস্তি দিয়া কিবা নজিৰ আছে নেকি ?

(উত্তৰ নাই)

Shri **BINOY KUMAR BASUMATARI** : Will the hon. Minister confirm the tenure of both Assembly and the present Government ?

Shri **UPENDRA DAS** (Minister) : Who can confirm it ? Sir, it is irrelevant.

Shri **BINOY KUMAR BASUMATARI** : Sir, it is very much relevant. He has to confirm the tenure of his Minstry.

Voices : No body can confirm it.

Shri **BINOY KUMAR BASUMATARI** : Sir the life of the Assembly is only five years whereas he has given an extension of 8 years to the leasee. It means that he has exceeded his power given to him.

Shri **UPENDRA DAS** (Minister) : It is given on the basis of the report of the Development Officer as per provisions of rules.

শ্ৰীহেমেন দাস ঃ তাৰ মানে এজন লেচিয়ে ৮ বছৰেই নহয় ২০ বছৰো পাব প্যাৰে এনেকুৱা কিবা নিয়ম আছে নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ ওন মেৰিট সকলো কথাই বিবেচনা কৰা হয়।

শ্ৰীবৰকত উল্লা ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো ফিচাৰী ৰুলৰ ১০ নম্বৰ অনুচ্ছেদত যি ব্যৱস্থা আছে সেইমতে এইটো বন্দবস্তি দিয়া হৈছে নেকি ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ সাত নম্বৰৰ [খ] অনুচ্ছেদ মতে দিয়া হৈছে ।

শ্ৰীবৰকত উল্লা ঃ তাত কিবা কনডিচন আছে নেকি ?

Shri UPENDRA DAS (Minister) : There in a provision for extension. She is a sitting lassee and to compensate her loss incurred during her tenure, She has been given extension.

শ্ৰীবৰকত উল্লা ঃ মই এটা জানিব বিছাৰিছো যে মন্ত্ৰী মহোদয়ে কৈছে যে উন্নয়ণৰ কাৰণে বন্দবস্তি দিয়া হৈছে, কিন্তু উন্নয়ণৰ নিগম আছে। নিগমৰ জৰিয়তে কিয় দিয়া হোৱা নাই ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ নিগমৰ বেলেগ বিল আছে আৰু ফিছাৰিৰও বেলেগ বিল আছে। ফিছাৰিৰ ৰুলৰ পৰা উন্নয়ণৰ কাৰণে দিয়া নিয়ম আছে কাৰণে দিয়া হৈছে।

Shri BINOY KUMAR BASUMATARI : In referance to question No. 3(b') the lessee had already enjoyed this mahal for the last 5 years who is a defaulter now of an amount of Rs.33,000 and yet she has been given a three years extension. It is better to give her a monopoly deal instead of regularising it every now and then.

Shri UPENDRA DAS (Minister): I don't understand what does he mean by Monopoly ? We have given her extension only to compensate her loss.

শ্ৰীহেমেন দাস ঃ সমবায় সমিতি থকা সত্বেও যি লোকচান কৰে তেওঁকে আকৌ কিয় দিয়া হল ?

শ্ৰীউপেন দাস (মন্ত্ৰী) ঃ সমবায়কো দিয়া হৈছে। যোৱা নানা কাৰণত এই বিলখনে লোকচান কৰে। ইয়াৰ কাৰণ হল, এবাৰ এই বিলখন বানপানীয়ে বুৰাই পেলালে যাব ফলত মাছকে মাৰিব নোৱাৰিলে। আনহাতে এই বিলৰ একেবাৰে মুখতে স্থানীয় বাইজে বান্ধ বান্ধি বাধা দিয়াৰ ফলত মহলদাৰ ক্ষতিগ্ৰস্ত হয় আৰু ভৱিষ্যতে যাতে কিছু আদায় কৰিব পাৰে তাৰ বাবে যত্ন লোৱা হৈছে।

বিঃ উত্তৰ লক্ষীমপুৰৰ চিভিল হস্পিতেল ।

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে ঃ

* ৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰৰ চিভিল হস্পিতেলৰ নতুন স্থানত বেমাৰী থকা ঘৰটো নিৰ্ম্মাণ কৰাৰ বাবে কিবা ব্যৱস্থা হাতত লৈছে নে কি ?

(খ) যদি লৈছে, ই কিমান দিনৰ মুৰত সম্পূৰ্ণ হৈ উঠিব ?

(গ) কিমান দিনৰ ভিতৰত চিভিল হস্পিতেলখন নতুন স্থানলৈ স্থানান্তৰ কৰিব পৰা হব ?

শ্ৰীভূমিধৰ বৰ্মণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৪। (ক)—হয়, ব্যৱস্থা লোৱা হৈছে।

(খ) আৰু গ নতুন স্থাপন ৬৪ খন বিচনা যুক্ত এখন হস্পিতেল চলিত বিত্তীয় বছৰত সম্পূৰ্ণ কৰাৰ সকলো চেষ্টা চলোৱা হৈছে ।

এই কামটো সম্পূৰ্ণ হোৱাৰ লগে লগে পুৰণা হস্পিতেলটো নতুন ঠাইলৈ আংশিক ভাৱে স্থানান্তৰ কৰা হব।

শ্ৰীগৰ্গৰাম দেউৰী ঃ অধ্যক্ষ মহোদয়, নতুন জেগালৈ আংশিক ভাবে স্থানান্তৰ কৰা হব বুলি মন্ত্ৰী মহোদয়ে কৈছে। পুৰাকৈ কি কাৰণত হব নোৱাৰে মন্ত্ৰী মহোদয়ে কবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, পুৰাকৈ কৰিব লাগিলে প্ৰায় ৮০ লাখৰ ওপৰ টকা দৰকাৰ হয় আৰু এই বিত্তিয় বছৰত এইটো সম্ভৱ নহয় বুলিয়ে বৰ্ত্তমান ৬৪ খন বিচনা যুক্ত এটা ওৱাৰ্ড খোলা হৈছে।

## Re :Teachers of L. P. Schools

Shri **PURNA BORO** asked :

*5. Will the Minister, Education be pleased to state—

(a) Whether Government have any decisian to appoint more teachers n single teacher L. P. Schools ?

(b) If so, wether appoinment of 2nd teacher will be made soon ?

Shri **MUKUT SAKMA** (Minister Education) replied :

5.(a) —Now decision has been arrived at.

(b)—Does not ari:e.

শ্ৰীপূৰ্ণ বৰো ঃ অধ্যক্ষ মহোদয়, এজনীয়া স্কুল কিমানখন আছে মন্ত্ৰী মেহাদয়ে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃঅধ্যক্ষ মহোদয়, এই স্কুলৰ সংখ্যা হৈছে ৭৭৮৭ খন ।

শ্ৰীপূৰ্ণ বৰো ঃ অধ্যক্ষ মেহাদয়, বৰ্ত্তমান নিবনুৱা সমস্যা এটা বৃহত সমস্যাৰূপে দেখা দিয়াত চৰকাৰে এই কথা নাভাবেনে কি যে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত অলপ হলেও অৰিহনা যোগোৱাৰ ক্ষেত্ৰত এজনীয়া শিক্ষকৰ ঠাইত দুজনীয়া কৰি শিক্ষা দানৰ ক্ষেত্ৰতো সহায়ক হব বুলি ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ময়ো মাননীয় সদস্যৰ লগত একমত যে এজনীয়া এজনীয়া শিক্ষকে চাৰিটা শ্ৰেনীৰ পাঠ দান কৰাটো সচাঁকৈয়ে সম্ভৱ নহয়, কিন্তু আমাৰ পুঁজিৰ অভাৱৰ কাৰণে একেলগে এই ৭৭৮৭ খন স্কুল দুজনীয়া কৰা সম্ভৱ নহয়। পৰ্য্যায় ক্ৰমেহে জেনেৰেল এৰিয়া আৰু চাব প্লেন এৰিয়াত শিক্ষক নিযুক্তি দিয়াৰ আশা ৰখা হৈছে।

শ্ৰীকীৰ্ত্তি দত্ত ঃ—অধ্যক্ষ মহোদয়, যিবোৰ প্ৰাইমেৰী স্কুলৰ ৬।৭ জন শিক্ষক আছে, তেনেবোৰ স্কুলৰ পৰা একোজনকৈ শিক্ষক আনি এই এজনীয়া স্কুলবোৰত নিয়োগ কৰিব নোৱাৰিনে ?

শ্ৰীমুকুট শৰ্মা —(শিঃ মঃ) এইটো আমি বিবেচনা কৰি চাম। ৪০ জন ছাত্ৰৰ মাজত একোজন শিক্ষ পেৱাৰ নিয়ম আছে। কিন্তু ঠায়ে ঠায়ে ইয়াৰ কম বেছিও হয়।

Shri BINOY KUMAR BASUMATARI : Mr. Speaker, Sir, is the Hon. Minister aware that in some schools even the single teacher positions are not regularised ?

শ্ৰীমুকুট শৰ্মা :—(শিক্ষা মন্ত্ৰী) অধ্যক্ষ মহোদয় মই মাননীয় সদস্যক জনাব খুজিছো যে এজনীয়া শিক্ষকৰ প্ৰায় বিলাক স্কুলেই ৰেগুলাৰ কৰা হৈছে ।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে জনাবনে কি যে এই পাঁচ বছৰৰ ভিতৰত এজনীয়া শিক্ষকৰ ঠাইত দুজনীয়া কৰা হব নে কি ?

মুকুট শৰ্মা :— (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই আগতেই কৈছোঁ যে আমাৰ পুঁজিৰ অভাৱ আৰু পৰ্য্যায় ক্ৰমেহে কৰিব পৰা যায়।

বিঃ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত প্ৰতিষ্ঠিত হোৱা প্ৰাথমিক চিকিৎসা কেন্দ্ৰ সমূহত ৰোগী ৰখাৰ ব্যৱস্থা আছেনেকি ?

(খ) যদি আছে তেন্তে তেনে চিকিৎসা কেন্দ্ৰৰ সংখ্যা কিমান ?

(গ) প্ৰাথমিক চিকিৎসা কেন্দ্ৰ সমূহত খোৱা লোৱাৰ ব্যৱস্থা কেতিয়া সম্পূৰ্ণ কৰা হব, জনাবনে ?

ভূমিধৰ বৰ্ম্মন (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৬। (ক) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত ৰোগী ৰখাৰ ব্যৱস্থা আছে।

(খ) বৰ্ত্তমান তেনেকুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা ১৩০টা।

(গ) চলিত নিৰিখত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত ৰোগীৰ খাদ্য যোগান ধৰিবলৈ ঠিকাদাৰ আগবাঢ়ি নাহে। বৰ্ত্তমান নিৰিখ বঢ়োৱাৰ পিছত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত আহাৰ যোগান ব্যৱস্থা উন্নত হব বুলি আশা কৰা হৈছে।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, বৰ্ত্তমানৰ নিৰিখ কিমান জনাবনে ?

ভূমিধৰ বৰ্মণ —(মন্ত্ৰী)—বৰ্ত্তমান নিৰিখ ৩'৩৬ পইছা সাধাৰণৰ কাৰণে আৰু টি, বি ৰোগীৰ কাৰণে ৩'৭৫ টকা ।

শ্ৰীহেমেন দাস :—এইটো কি হিচাবে কৰা হৈছে ?

শ্ৰীভূমিধৰ বৰ্মণ— (মন্ত্ৰী)—মাননীয় সদস্য জনে নিৰিখটো বঢ়োৱাৰ কথাকে কৈছে আমিও এইটো অনুভৱ কৰিছো আৰু বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহেমেন দাস :— ঠিকাদাৰ নোপোৱাৰ কথাটো তেখেতে কৈছে। কেনেভাবে নিবিদা আহবান কৰা হৈছিল জনাবনে ?

শ্ৰীভূমিধৰ বৰ্মণ :— (মন্ত্ৰী) নিয়ম মতেই নিচিনা আহবান কৰা হয়, কিন্তু ৰেতটো কম হোৱাৰ কাৰণে মানুহ নাহে। এই বেটটো বঢ়োৱৰ ব্যৱস্থা হবা হৈছে।

পূৰ্ণ বৰো :— মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা ১৩০ টা। এই সকলো বোৰতে প্ৰয়োজন অনুসাৰে ডাক্তৰ নিয়োগ কৰা হৈছে নে ? লগতে মন্ত্ৰী মহোদয়ে জনাবনে যে একোটা প্ৰাথমিক কেন্দ্ৰত কিমান জন ডাক্তৰ নিয়োগ কৰা হৈছে ?

শ্ৰীভূমিধৰ বৰ্মণ :— (মন্ত্ৰী) এইটো অবশ্যে বেলেগ প্ৰশ্ন। প্ৰাথমিক চিকিৎসা কেন্দ্ৰত সাধাৰণতে তিনিজন কৈ ডাক্তৰ থাকে।

শ্ৰীপূৰ্ণ বৰো :— কিছুমান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ডাক্তৰ নাই অথচ নিবনুৱা ডাক্তৰ সংখ্যা বহুত।

শ্ৰীভূমিধৰ বৰ্মণ :— (মন্ত্ৰী) এনে দুই চাৰি খন ঠাই আছে। বৰ্ত্তমান তাত ডাক্তৰ নিয়োগ কৰা হৈছে।

শ্ৰীআফাজালুৰ ৰহমান :— অধ্যক্ষ মহোদয়, এই ঠিকা দিয়া আৰু লোৱা সম্পৰ্কে ডাক্তৰ সকলৰ মাজতে বেকেট চলি আছে। এজন স্বাস্থ্য কেন্দ্ৰৰ ইনচাৰ্জে বেলেগ এখন স্বাস্থ্য কেন্দ্ৰৰ ডাক্তৰক ঠিকা দিয়ে এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীভূমিধৰ বৰ্মণ :— (মন্ত্ৰী) মই নাজানোঁ। মাননীয় সদস্যই জনালে ব্যৱস্থা লোৱা হব।

**বিঃ চেলাচাৰিকৰীয়া মীন মহল**

শ্ৰীবৰ্গৰাম ডেউৰীয়ে সুধিছে ঃ

* ৭। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ঢকুৱাখানা চেলাচাৰিকৰিয়া মীন মহলখন উন্নয়নমূলক আঁচনিৰ অন্তৰ্ভূক্ত মীন মহল নে স্বাভাৱিক নদীৰ মীন মহল ?

শ্ৰীউপেন্দ্ৰ দাস (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭। মীনমহলখন উন্নয়নমূলক আঁচনিৰঅন্তৰ্ভূক্ত।

শ্ৰীবৰ্গৰাম দেউৰী :—এইটো কেতিয়া মীন মহলৰ অন্তৰ্ভূক্ত কৰিলে তাৰিখটো জনাবনে ?

শ্ৰীউপেন দাস, (মন্ত্ৰী):—এই বছৰ অন্তভুৰ্ক্ত কৰা হব ।

শ্ৰীবৰ্গৰাম দেউৰী :— তাৰিখৰ কথাটো জনাৰ লাগে ।

শ্ৰীউপেন দাস, (মন্ত্ৰী) :—পিচত দিয়া হব ।

শ্ৰীহেমেন দাস :— প্ৰশ্নটো যিহেতু আগতে দিয়া হৈছিল মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত প্ৰাসঙ্গিক প্ৰশ্নৰ কাৰণে সাজু নোহোৱাকৈ দুয়োদিন সদনত কেনেকৈ উপস্থিত হয় জানিব বিচাৰিছো। ইয়াৰ এটা স্পষ্টীকৰণ দিব লাগে।

শ্ৰীউপেন দাস, (মন্ত্ৰী) :— ১২-৫-৮৩ তাৰিখত ।

Mr. SPEAKER : Now, item No. 2.

Shri PURNA BORO : Sir, I beg to call the attention of the Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legisla'ive Assembly to the news item appearing in the Assam Tribune, dated 13th May, 1983 under the caption "Rise in prices of essential items."

Shri TILOK CHANDRA GOGOI (Minister, Supply) : Mr. Speaker Sir, attention of the Government has been drawn to the news item published in the Assam Tribune, dated 13th May, 1983 under the caption 'Rise in prices of Essential Items'.

Rising trend in prices is not peculiar to our State. This trend is noticeable troughout the Country. There has not been any abnormal rise in prices in out State. Prevailing prices in our State compares favourably with other parts of the Country. A slight rise in price at this time of the year, is a seasonal occurrence and there is no cause for anxiety. Government has been keeping constant watch over the situation and taking coreective measures as required.

As a result of constant check both the availablity of Essential Commodities and prices have remained satisfactory despite disruption in the movement of goods due to damage of road-bridges. Is is indeed very creditable. that because of constant alertness there has not been any dearth of Essential Commdities in any part of the State.

Availability of Rice, Wheat products Levy Sugar, Salt, Kerosene Oil has been ensured through Public Distribution System and adequate stock has been built up to meet the needs of the monsoon months.

Government monitors the supply and stock position of Essentia Commodities and their priccs with Food Corporation of India, Railways Indian Oil Corporation and other agencies regularly and Government wil not allow any critical situation to develop.

It may be mentioned that the Assam Trade Articles (Licensing and Control) Order, 1982 came into force on 22nd June, 1982, though maximum storage limit has been fixed on 20th May, 1983.

The storage limit of Essential Commodities is necessary to prevent hoarding of articles and prevention of consequential rise in price. However, Government will consider temporary exemption to storage limit if the situation so demands.

Government is also determined to Gear-up enforement activities to prevent malpractices in sale and supply of Essential Articles and check profiteering.

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। বস্তুৰ মূল্য বৃদ্ধিৰ ওপৰত এটা বিবৃতি দি মূল্য বৃদ্ধি হোৱা নাই বুলি য়েই প্ৰায় কৈছে। এইটো স্বাভাৱিক। আমি তেখেতৰ পৰা জানিব বিচাৰিছো যে যদি সচাঁকৈ মূল্য বৃদ্ধি হোৱা নাই তেতিয়াহলে যোৱা বছৰৰ এই সময়ত ধানৰ দাম কিমান আছিল আৰু এতিয়া এই সময়ত অসমত ধানৰ দাম কিমান জনাব লাগে।

শ্ৰীতিলক চন্দ্ৰ গগৈ (যোগান মন্ত্ৰী) :—যোৱা বছৰত যিটো দাম নাছিল আজি দাম বৃদ্ধি হৈছে। এইটো কেৱল অসমতে হোৱা নাই। যোৱা বছৰত অসুবিধা হৈছিল যিটো প্ৰকিউৰমেণ্ট হব লাগিছিল আন্দোলনৰ কাৰণে বাধাপ্ৰাপ্ত হৈছিল। এতিয়াও অৱশ্যে আমাৰ দুমাহৰ কাৰণে ষ্টক আছে। ইমান অসুবিধা নাজতো কিন্তু আমাৰ জনসাধাৰণে বস্তুৰ কাৰণে অসুবিধাত পৰা নাই। দাম বৃদ্ধি হৈছে যিখিনি দেশখনৰ লগতে অসমতো তাৰ প্ৰভাৱৰ ফলতহে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী :—অধ্যক্ষ মহোদয়, এই 'ডিষ্টারবেন্স' ব্রহ্মপুত্র উপত্যকায় ছিল। কিন্ত কাছারে জিনিষপত্রের বাড়ার কারণ কি? মন্ত্রী মহোদয় জনাবেন কি?

শ্ৰীতিলক চন্দ্ৰ গগৈ (যোগনা মন্ত্ৰী) :— সকলো ঠাইতে যেতিয়া বাঢ়িছে। কাচাৰ বাদ যাব নোৱাৰে। কিন্তু সেই হিচাপে অসমত বেছি নহয়।

———

GOVERNMENT RESOLUTION

Mr. SPEAKER : Now, item no. 3. Shri Abdul Muhib Mazumdar Minister to move the Resolution.

Shri ABDUL MUHIB MAZUMDAR (Minister, Power) : Sir, I beg to move that this Assembly do approve the fixation of the amount of loan of the Assam State Electricity Board at a higher maximum limit of Rs.250 crores (Rupees two hundred fifty crores) only as to enable the State Government to take action under the provision of section 68 (3) of the Electricity (Supply) Act, 1948).

Mr. SPEAKER : Resolution is move.

Shri Md. UMARUDDIN : Mr. Speaker, Sir, the point is that by this Resolution the Government seeks to increase the quantum of loan from Rs.185 crores to Rs.250 crores. Sir, from the Explanatory notes, it appears that the Electricity Board has Borrowed a total amount of loan from the market, L. I. C. and R. E. C. for the year 1982-83 and 1983-84 amounting to Rs. 21656·66 lakhs. Now, again they have come up for Borrowing further loans from the State exchequer. And there is every posibility of increasing their demands in future. Sir, it has become a pressing burden on the State exchequer. In return, the State Electricity has failed totally to deliver goods to the people. Sir, it is one of the worst managed institutions of the Government of Assam. Therefore, Sir, I would like to draw the attention of the hon. Chief Minister and the Hon. Finance Minister as to whether they will allow the present situation to continue, considering the burden that has come to the State Government because of the unlimited and high figure of loans. I would therefore urge upon the hon'ble Members to take into account all the points raised by me before the Resolution is adopted in the House. With these words I conclude.

মৌলানা আব্দুল জলিল চৌধুরী :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পাওয়ার মন্ত্রী মহোদয় যে টাকার বরাদ্দ চেয়েছেন তা দিতে আমাদের কোন আপত্তি নাই। কিন্তু আমি একটি কথার দিকে মন্ত্রী মহাশয়ের দৃষ্টি আকর্ষণ করছি। স্যার, বর্তমানে এই 'ইলেক্‌ট্রিসিটির যা অবস্থা তা প্রকাশ করতে আমাদের লজ্জা বোধ করে। একটাও স্টেট'এ বিশেষ করে কাছাড় জেলায় যা মন্ত্রী মহোদয় নিজেও জানেন যে এক রাত্রে বিদ্যুৎ ৩-৪ বার নিবে যায়। উন্নতশীল স্বাধীন দেশের লোক পাওয়ার চায়। কিন্তু বিদ্যুৎ বিভাগের গাফিলতির জন্য জনসাধারণ তা থেকে বঞ্চিত। বর্তমানে বিদ্যুৎ বর্ডের উন্নতিকল্পে যে ভাবে কোটী কোটী টাকা বরাদ্দ করা হয়েছে তার ১০০ ভাগের ১ (এক) ভাগেও যদি কাজে লাগত তাহলে আমি স্বস্তি বোধ করতাম। আমি মন্ত্রী মহোদয়ের কাছ থেকে জানতে চাই আমরা আজ পর্যন্ত যত টাকা এই বর্ডের জন্য বরাদ্দ করেছি তার ১০০ ভাগের ১ ভাগও কাজে হয়েছি কি না? আমি নিজে মন্ত্রী মহোদয়ের সঙ্গে কাছাড় জেলার নির্বাচনী চক্রে 'টোর' করেছি। আমরা সেখানে কি দেখেছি? দেখেছি বড় বড় বাঁশ সেখানে খাড়া করে রাখা হয়েছে। তা প্রায় ৩-৪ বছর হলো কিন্তু কোন কাঠের খোটা বা কানেকশন দেওয়ার কোন ব্যবস্থা এই বিভাগ থেকে নেওয়া হয় নাই। এই বিষয়ে খোঁজ নেওয়াতে বিদ্যুৎ বিভাগ থেকে বলা হয়েছে যে তিন মাসের মধ্যে তারা এই কাজ সম্পূর্ণ করবেন। কিন্তএ ব্যাপারে আজও নাকি কোন কাজ করা হয় নাই। কারণ টাকা নাই। এত টাকা দেওয়া হচ্ছে কিন্তু কোন কাজ হচ্ছে না। তাহলে টাকাগুলি যাচ্ছে কোথায়? আজ বহু 'লীফট ইরিগেশন্' প্রকল্প হচ্ছে কিন্তু ঠিকমত বিদ্যুৎ না পাওতে সেগুলি চালাতে পারছে না। আমি মাননীয় মন্ত্রী মহোদয়ের নিকট জানতে চাই বর্তমানে আবার টাকা বরাদ্দ করার পর কাছাড়ে যে গুলি খোটা খাড়া রয়েছে সে গুলিতে বিদ্যুৎ সরবরাহ করতে অন্তত পক্ষে আর কতদিন লাগিবে। এটা জানার পর এই অতিরিক্ত টাকার বরাদ্দ দিতে সম্মতি জানাবো।

শ্রীআফজালুর রহমান :—মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুৎ বিভাগের জন্য ২৫০ কোটি টাকা বরাদ্দ করার জন্য যে আজ প্রস্তাব এই সদনে মাননীয় মন্ত্রী মহোদয় উৎথাপন করেছেন, আমি এই ব্যাপারে বলতে গিয়ে আমাদের রাজ্যে এই বিভাগের কাজ কিভাবে চলতে তার একটা আভাষ দিতে চাই। মহোদয় আমার মহকুমায় লক্ষীপুর অঞ্চলের বিদ্যুৎ বিভাগ থেকে রিপোর্ট পাঠানো হয়েছে যে সারা গ্রামে বৈদ্যুতীকরণ করা হয়ে গেছে-অথচ সেখানে আজ পর্যন্ত একটা খুঁটিও পোতা হয়নি। মহোদয়, আমাদের আসাম রাজ্য একটা কৃষি প্রধান রাজ্য। এখানে মাইনর, মিডিয়াম, মেজর সকল ধরণের ইরিগেশন সিষ্টেমের জন্য বিদ্যুৎ বিভাগের কাজ কর্মের নমুনা হয় তাহলে কি করে গ্রামের তথা দেশের উন্নতি হবে? মহোদয়, গোয়ালপারা জেলার মানকাচারে গেলে দেখতে পাবেন রাস্তার ধারে ধারে ছোট ছোট ইরিগেশন ব্যবস্থা করা হয়েছে, মিটারও বসেছে কিন্তু সেখানকার লোককে জিজ্ঞাসা করলে জানতে পারবেন যে তারা আজও জল পায়নি। কারণ কি? ইরিগেশন বিভাগকে জিজ্ঞাসা করলে তারা বলে সব হয়ে গেছে কিন্তু বিদ্যুৎ পাওয়া যায়নি। বিদ্যুৎ বিভাগ নাকি আবার অটোনমাস বডি-তারা আমাদের কথা কেন শুনবে? এই যদি অবস্থা হয় আমার বক্তব্য হলো যে এই বিভাগের কাজকর্মের সুপাভির্শনের জন্য পুলিশ বিভাগ হউক আর ব্লক দ্বারা হউক একটা ব্যবস্থা করতে হবে।

মহোদয়, আপনি শুনলে দুঃখ পাবেন যে বিদ্যুৎ বিভাগের কাজের গাফিলাতির জন্য নিরপরাধ গ্রামের শিশু মরা গিয়েছে। আজও আমাদের অনেক গ্রামের মানুষ বিদ্যুৎ কি জিনিষ তারা জানেনা। তারা খুঁটি বেয়ে তার ধরতে চায়।

মহোদয়, টাকা দিতে আমাদের আপত্তি নাই। কিন্তু এই বিভাগের কাজের উপর একটা সুপার্ভির্শনের ব্যবস্থা করতে হবে। এই কথা বলে আমি শেষ করছি।

Shri BINOY KUMAR BASUMATARI : Sir, according to the Rules of precedure and Conduct of Business in Assam Legislative Assembly under Rule 119 the Speaker shall decide whenever a resolution or a part thereof is or is not admissible under there rules and may disallow any resolution or a part thereof when in the opinion it is an abuse of the right of moving a resolution of calculated to obstruct or prejudicially affect the procedure of the house or is in contravention of these rules.

Sir, as per this rule we require a 10 day notice has not been given to us. Vide rule 115 (1) "A member other than a Minister who wishes to move a resolution shall give 10 clear days' notice..."

Mr, SPEAKER : Hon'ble member will please note that this rule relates to private Members' resolution and not Government resolution.

Shri BINOY KUMAR BASUMATARI : This rule covers the entire rules. It says "provided that not more than.. ..."

Mr. SPEAKER : It relates to Private Members Resolution.

শ্ৰীপ্ৰসাদ দলৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ পৰিপ্ৰেক্ষিতত মই দুষাবমান কথা কবলৈ ওলাইছো। আজি আমাৰ অসমত ২২ হাজাৰ গাওঁ আছে। এই গাওঁবিলাকত যিমানখনি বিজুলি সৰবৰাহৰ ব্যৱস্থা থাকিব লাগিছিল সিমানখিনি ব্যৱস্থা এতিয়ালৈকে হৈ উঠা নাই। চৰকাৰী হিচাব মতে যিমান বিলাক গাওঁত বিজুলি সৰবৰাহৰ হিচাব দিয়া হৈছে সেইমতে সেই গাওঁবিলাকত বিজুলি সৰবৰাহ হৈ উঠা নাই। আজি আমাৰ দেশত সকলোৱে বিজুলি সৰবৰাহৰ প্ৰয়োজনীয়তা আছে। আমাৰ দেশত বিভিন্ন ইন্দাস্ট্ৰি চলাবলৈ হলে বিজুলি শক্তিৰ অতি প্ৰয়োজন। কৃষিৰ ক্ষেত্ৰতেই হওক বা উদ্যোগৰ ক্ষেত্ৰতেই হওক বিজুলী সৰবৰাহ যদিহে আমি উপযুক্ত পৰিমাণে কৰি লব নোৱাৰো তেনেহলে এই ধনমঞ্জুৰী কৰি কিবা লাভ হব বুলি মই নাভাবো। আজি পাঞ্জাবৰ কৃষক সকলৰ শতকৰা ৮১-৮২ জন মানুহে যিমানখিনি উৎপাদন কৰিব পাৰিছে সেই অনুপাতে আমাৰ দেশে উৎপাদন কৰিব পৰা নাই। তাৰ একমাত্ৰ কাৰণ হল আমাৰ দেশত উপযুক্ত পৰিমাণৰ বিজুলি সৰবৰাহ নাই। আজি আমাৰ দেশত যি কেইটা 'ইৰিগেচন'ৰ সুবিধা আছে সিও আঙুলিৰ মূৰত লিখিব পৰা ধৰণৰ। আজি আমাৰ দেশত এনে কিছুমান গাওঁ আছে যিবিলাকৰ মানুহে এতিয়ালৈ বিজুলি চাকিৰ মুখ দেখা নাই। উদাহৰণ স্বৰূপে আমাৰ মায়াং অঞ্চলৰ মানুহেই বিজুলি চাকিৰ মুখেই দেখা নাই। গতিকে ইয়াৰ পৰা এটা কথা দেখা গৈছে যে যি ঠাইৰ মানুহে অফিছৰ কৰ্ম্মচাৰীসকলৰ আস্থাভাজন হৈছে তেওঁলোকে বিজুলি চাকিৰ মুখ দেখা পাইছে আৰু যিসকলে সেইটো কৰিব পৰা নাই তেওঁলোকে তাৰ মুখ দেখিবলৈ পোৱা নাই। গতিকে আমাৰ চৰকাৰে এইটো কথা ভালদৰে চাব লাগে যাতে গাওঁ অঞ্চলৰ উন্নতিৰ কাৰণে এই ক্ষেত্ৰত সমানে চকু দিয়ে আৰু তেতিয়াহে প্ৰকৃততে গাওঁ অঞ্চলৰ উন্নতি সাধন কৰিব পৰা হব। মই অৱশ্যে এই বিলখনৰ বিৰোধিতা কৰিবলৈ যোৱা নাই ইয়াক মই সমৰ্থন জনাইছো। কিন্তু মই এইটো কথাহে আঙুলিয়াই দিব খুজিছো যাতে তেলিৰ মূৰত তেল দিয়া ধৰণৰ ঘটনা হবলৈ নাপায়। বিজুলি সৰবৰাহৰ ক্ষেত্ৰত প্ৰকৃত তথ্য চৰকাৰে বিচাৰি উলিয়াব লাগে আৰু য'ত যেনে ধৰণে ইয়াৰ সৰবৰাহ কৰিব লাগে ঠিক তেনে ধৰণেহে ইয়াৰ ব্যৱহাৰ কৰিব লাগে। তাৰ লগে লগে এই বিভাগৰ যি সকল কৰ্ম্মচাৰী আছে তেওঁলোকেও আমাৰ প্ৰকৃত অৰ্থনীতিত চকু ৰাখি কাম কৰিব বুলি মই অনুৰোধ জনালো। এই প্ৰস্তাৱযোগে যি টকা বিচৰা হৈছে তাক মই সমৰ্থণ জনাইছো আৰু তাৰ দ্বাৰা আমাৰ দুখীয়া জনসাধাৰণৰ উন্নতি কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীহেমেন দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ সন্দৰ্ভত মই দুষাবমান কবলৈ ওলাইছো। এইটো সকলোৱে জনা কথা যে আজিৰ যুগত কৃষিয়েই হওক বা শিল্পই হওক আমি আগ বাঢ়িবলৈ হলে বিদ্যুৎ আমাৰ অতি প্ৰয়োজন। আজি আমাৰ যিখন বিদ্যুৎ বোৰ্ড আছে এই বোৰ্ডখনৰ কাম কাজলৈ চাই এটা কথা কব পাৰি যে এই বোৰ্ডখন খৰচত যিমান আগ্ৰহী কিন্তু আদায়ত সিমান আগ্ৰহী নহয়। আজি যদি এজন সাধাৰণ মানুহৰ বিজুলি চাকিৰ কাৰণে আবেদন কৰা হয় তেনেহলে তাত নানাবোৰ কথাৰ উত্থাপন হয়। কিন্তু তেওঁলোকে নিজে তাৰ বাবদ যিমান বিজুলি শক্তি খৰচ কৰি আছে তাৰ হিচাব লওতা কোনো নাই। আজি ৰাজহুৱা খন্দৰ্ভতেই বোলক কিম্বা ব্যক্তিগত খন্দতেই বোলক বহুতোখন বিদ্যুৎ বিভাগৰ অনাদয় হৈ পৰি আছে। উদাহৰণ স্বৰূপে 'পানীখাইতিত যিটো হাৰ্ডবোৰ্ড কাৰখানা আছিল সেইটো বন্ধ হৈ গল কিন্তু তাৰ পৰা এতি-

য়াও বিদ্যুৎ বিভাগে ২২ লাখ টকা পাবলৈ বাকী আছে। আনহাতে যোগাঁযোপাত যিটো কাগজৰ কল আছে তাৰ পৰাও হেনো এক কোটিতকৈও অধিক টকা এই বোৰ্ডে পাবলৈ বাকী আছে। এনে ধৰণৰ আৰু বহুতো অনুষ্ঠান প্ৰতিষ্ঠান আছে যিবোৰৰ পৰা পাবলগীয়া বহুতো ধন অনাদায়ী হিচাবে পৰি আছে।

ইয়াৰ ওপৰিও এই বিভাগটোত আৰু বহুতো খেলি মেলি থকা আমাৰ দৃষ্টি গোচৰ হৈছে। এই বিভাগটোত কিমান খন গাড়ী আছে আৰু কিমান কৰ্ম্মচাৰী আছে তাক হয়তো এই বিভাগৰ মন্ত্ৰীবৰ্গসকলে ভালকৈ নাজানে। এই বিভাগৰ গাড়ীবোৰ বৰ্ত্তমানে কি ধৰণে পৰিচালনা কৰে আৰু তাৰপৰা কিমান খৰচ হয় তাৰ প্ৰকৃত হিচাব হয়তো আজিলৈকে কোনেও ৰখা নাই। আন এটা কথা জানিব পৰা গৈছে যে এই বৰ্ডত হেনো ৬ শতৰো অধিক লোক অতিৰিক্ত ভাবে কাম কৰি আছে। তাত মানুহ অনুপাতে কাম আছে নে নাই সেইটোও হয়তো কোনেও এবাৰো ভাবি চোৱা নাই। তাত হয়তো কাম নাই কিন্তু মানুহ হলে তাত আছে। যদি তাত কামেই নাই তেনেহলে অতিৰিক্তকৈ মানুহ ৰাখি থোৱাৰ কি কাৰণ থাকিব পাৰে মই ভাবি নাপাও।

শ্ৰীহেমেন দাস ঃ—অসম এখন অতি ক্ষুদ্ৰ দেশ। ইয়াৰ গাওঁ বিলাকৰ কথা নকওঁৱেই আনকি চহৰ বিলাকতো বিজুলি যোগান ধৰাৰ উপযুক্ত ব্যৱস্থা নাই। আনকি বৰ্ত্তমানো পৰিকল্পনাও নাই। ধেমাজীৰ নিচিনা এটা মহকুমাৰ সদস কাৰ্য্যালয়তো ৰাতি লাইট নাথাকে। আনকি মই নিজেই এদিন দুপৰীয়া গৈ তাত ফেন লাইট আদি এটাও পোৱা নাই। ৰাতি হৈ অহাত যেতিয়ামই লাইটৰ কথা সুধিলো তেতিয়া গম পালো যে দিনৰ ৬ বজাৰ পৰা ৰাতি ১২ বজালৈ কাৰেণ্ট নাথাকে। বিদ্যুৎ বৰ্ড ধেমাজীতো আছে কিন্তু বিদ্যুৎ যোগাৰ বৰ্ত্তমানো পৰিকল্পনা তেওঁলোকৰ হাতত নাই।

ইয়াৰ পিচতে ঘিলামাৰীৰ কথা উল্লেখ কৰিব পাৰি। এইখনো ক্ৰমান্বয়ে উন্নত হোৱা ঠাই। আমাৰ ঠাই বিলাকত এটা কাৰ্য্যবাহী অভিযন্তাৰ কাৰ্য্যালয় থাকিলেই আমি ডাঙৰ ঠাই বুলি কওঁ। এইখন ঠাইটো ইলেকট্ৰিকৰ খুটা পোৱাগৈ নাই। আমি ৰুৰেল ইলেকট্ৰিফিকেচনৰ দ্বাৰা বহুত কাম হৈছে বুলি চৰকাৰে ঢোল কোবোৱা শুনি আহিছো। কিন্তু ধেমাজী, ঘিলামাৰী আদি জনজাতীয় অঞ্চল বিলাকতো বিদ্যুৎৰ ক্ষেত্ৰত একো কৰিব পৰা নাই। চৰকাৰে জনজাতীয় অঞ্চল বিলাকত সকলো সা-সুবিধা দিয়াৰ কথা কৈছে। কিন্তু বাস্তৱত একো হোৱা নাই। কেৱল কাগজতহে ৰুৰেল ইলেকট্ৰিফিকেচনৰ হৈছে। ইয়াৰ তদন্ত কোনে কৰিব? কত হব? মই মন্ত্ৰী মহোদয়ে এই বিভাগৰ কাম কাজ অলপ চোৱা উচিত আছিল বুলি ভাবোঁ। বস্তু কিনাৰ কাৰণে নে ৰাইজৰ সেৱাৰ কাৰণে দিম? কিছুমান বিভাগ আছে তেঁওলোক বস্তু কিনাৰ কাৰণে বৰ আগ্ৰহী। ষ্টীল, চিমেণ্ট আদি বস্তু কিনাৰ মাফতে টকা মাৰিব। গাঁও বিলাকত এবাৰ খুটা পুতিছে আৰু তাৰ ৫ বছৰৰ পিচত লাইন নিছে। এইবিলাক হৈছে কামৰ খতিয়ান। অসম এখন কৃষি প্ৰধান দেশ। বিদ্যুৎৰ জৰীয়তে কৃষিৰ উন্নতি হোৱাৰ একান্ত প্ৰয়োজন আছিল। বিজুলী শক্তিৰ যোগান অকল পোহৰৰ কাৰণেই নহয়, ইয়াৰ কাৰ্য্যকাৰিতাৰ অনান্য দিশো আছে। এখন চহৰত চাৰি-পাঁচ জন মানুহৰ কামৰ সুবিধাৰ কাৰণেই বিদ্যুৎৰ প্ৰয়োজন নহয়। ইয়াৰ বিশেষ প্ৰয়োজন উৎপাদনৰ কাৰণে। গাওঁ অঞ্চলত জল-সিঞ্চন ব্যৱস্থা বিলাকহাঁ বিদ্যুৎ হাঁ বিদ্যুৎ কৰি অচল হৈ পৰি আছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক সুধিছোঁ যে যিবিলাক অঞ্চলত বিদ্যুৎ যোগান দিলে দুই তিনি গুণ উৎপাদন বৃদ্ধি হব সেই বিলাক অঞ্চলত বিদ্যুৎ যোগান ধৰা হৈছে নে? আমি জনাত অৰ্দ্ধকাৰী ঠাই যত চাৰি পাঁচ জন মানুহে ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰিছে। উদাহৰণ স্বৰূপে মোৰ গাঁৱৰ কথাকে কওঁ, ইয়াত মাত্ৰ চাৰি পাঁচজন মানুহে বিদ্যুৎ সুবিধা লব পাৰিছে। মোকো বিদ্যুৎ লবলৈ বহুতে কৈ আছে কিন্তু মই কৈছোঁ মোৰ বিদ্যুৎ লোৱাৰ একো উপায়েই নাই। আমাৰ দেশৰ বেছি-ভাগ মানুহেই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰিছে। অথচ বিদ্যুৎৰ নামত আমাৰ ইয়াত লাখ লাখ টকা খৰচ কৰিছে। আমি সু পৰিকল্পিতভাৱেযিখিনি বিদ্যুৎ উৎপাদন হয় তাক আমাৰ সৰু সৰু উদ্যোগ আৰু কৃষকক যোগান ধৰোঁ তেতিয়া হলে সেই সকলক উন্নতিৰ ক্ষেত্ৰত আগুৱাই নিয়াত সক্ষম হম। আমি আচৰিত হৈছোঁ ইমান কম দিনৰ ভিতৰত ঋণৰ সীমা ইমান বৃদ্ধি কৰাত ১৯৮২ চনত আছিল ১৮৫ কোটি টকা পিচত ১৯৮৩ চনত কৰিলে ২৫০ কোটি টকা। যি স্থলত ১৮৫

কোটি টকা খৰচ কৰিব পৰা নাই তেনেস্থলত ২৫০ কোটি টকালৈ এই সীমা বঢ়াই দিয়া হল কিয় আমি বুজা নাই। আগন্তুক বছৰত খৰছ হব ২১৬ কোটি ৫৬ লাখ টকা। বস্তুৰ দাম বাঢ়িয়েই আছে। এই বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত যি টকা ধৰিছে তাৰ কোনো প্ৰয়োজন নাই। সেই কাৰণে মই এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছোঁ।

শ্ৰীহাচান উদ্দেন আহমেদ :—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি টকা ধাৰ লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছে সেই প্ৰস্তাৱটো মই সমৰ্থন কৰো। কিন্তু তাৰ আগতে তেখেতৰ পৰা এটা কথা বিচাৰিছোঁ যে অকল টকা ললেই নহব, যি টকা দিয়া হব তাৰ পৰিবৰ্ত্তে এই বিভাগটোৱে ৰাইজলৈ কিবা আগবঢ়াব পাৰিছেনে নাই সেইটোও চাবলাগিব। যি বিজুলী যোগানৰ আঁচনিৰ কৃতকাৰ্য্যতাৰ ওপৰতেই এখন দেশৰ আৰ্থিক উন্নতিৰ নিৰ্ভৰ কৰে তেনেকুৱা বিজুলীযোগানৰ কোনো সু-পৰিকল্পিত আঁচনি আমাৰ ৰাজ্যত গঢ়ি উঠা নাই। আমাৰ ৰাজ্যৰ চোকে কোনে থকা গাওঁ আদি অঞ্চল বোৰত কোনো বিজুলীৰ পোহৰ এতিয়াও পৰা নাই। উদাহৰণ স্বৰূপে মই গোৱালপাৰা জিলাৰ কথাকে কব পাৰো। তাত এই বিষয়ে অলপ কাম কৰা হৈছে যদিও তাৰ সুফল এনতয়াও ভোগকৰিব পৰা হোৱাই নাই। কৰবাত কৰবাত দুই চাৰিটা খুটা পৰি আছে যদিও বতাহত সেইবিলাক পৰি যায়। আমি আচৰিত হৈছো যে, অকল বিদ্যুৎ বৰ্ডেই নহয়, যেতিয়া অনান্য বৰ্ডৰ কথাও চৰকাৰৰ দৃষ্টিগোচৰ হৈৱা যায় তেতিয়া চৰকাৰে তাৰ কাম কাজৰ কাৰণে নিজৰ কৰ্তৃত্ব স্বীকাৰ কৰি লব নোখোজে গতিকেই মই মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিছো।

আৰু এটা কথা, আমি আশা কৰিছিলো যে, বিজুলি যোগান হলে আমাৰ লৰা ছোৱালী বিলাকে পঢ়া-শুনাৰ কাৰণে বিজুলীৰ পোহৰ পাব। কিন্তু লৰা ছোৱালীৰ পৰীক্ষা আদি হৈ থকাৰ সময়তো বিজুলীৰ পোহৰ নেপালে। ইপিনে বিজুলীৰ পোহৰ পাব বুলি লেম্প আদিও নোহোৱা হৈ গল। গতিকে ভীষণ অসুবিধাত আমাৰ লৰা ছোৱালী বিলাকে পঢ়া শুনা কৰিবলগীয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথাৰ প্ৰতি আৰাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে, আমাৰ যি বিলাক সৰ্বসাধাৰণ মানুহ আছে সেই সকলে মাহে মাহে বিল দিবলাগে কিন্তু কোনোবা এমাহত যদি কিবা অসুবিধাত বিলৰ টকা আদায় দিব নোৱাৰে তেতিয়াহলে, আগতীয়াকৈ কোনো জাননী নিদিয়াকৈয়ে সংযোগ কাটি দিয়া হব বুলি ভাবুকি দিয়া হয় আৰু সেইমতে লাইন কাটিও দিয়ে। কিন্তু এনে কিছুমান ডাঙৰ ডাঙৰ ব্যৱসায়ী বা মিল মালিক আছে যি সকলে ইচ্ছাকৃতভাৱে মিটাৰ অচল কৰি চৰকাৰক লাখ লাখ টকা নিদিয়াকৈ থাকিলেও সেই সকলৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা নলয়। গতিকে মই অসম চৰকাৰক এই প্ৰস্তাৱটো সমৰ্থন কৰাৰ লগতে এই বিভাগটো যাতে যাতে ৰাইজৰ সেৱাত লাগে তাৰ প্ৰতি নজৰ ৰাখিবলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri BINOY KUMAR BASUMATARI : I beg your pardon, Sir I am still not satisfied as to how the Government can be allowed to move the resolution. My doubt still persists and I again refer to Rule 117 which says 'Subject to the provision of these rules, a member or a Minister may move a resolution relating to a matter of general public interest : Provided that no resolution shall be admissible which does not comply with the following conditions namely—

I refer to (g), since ASEB is an autonomous body – '(g) it shall not refer to a matter which is not primarily the concern of the State Government.'

If ASEB is an autonomous body and the State does not have any primary concern so Sir, I still have that doubt.

Mr. SPEAKEK : This resolution is brought by the Minister concerned, that is the Government concernd. If the honble member is not able to understand I will explain and et him cometo may chamber. But I tell you that it relates only to the Private Members, resolution and it does not relate to Government resolution. So it will continue

শ্ৰীমহম্মদ আলি ঃ— মাননীয় অধ্যক্ষ মহোদয় আমাৰ মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে বিজুলী যোগানৰ দ্বাৰা আমাৰ ৰাজ্যখনৰ সৰ্বাঙ্গীন উন্নয়ণৰ কাৰণে ২৫০ কোটি টকাৰ ধাৰ বিচাৰি যি প্ৰস্তাৱ আনিচে সেই প্ৰস্তাৱ আমি সমৰ্থন কৰিবই লাগিব।

এই বিষয়ে আমাৰ মাননীয় ভালেমান সদস্যই অংশ গ্ৰহণ কৰি নানান আলোচনা-বিলোচনা আদি আগবঢ়াইছে। বিজুলী সৰবৰাহ অবিহনে আমাৰ ৰাজ্যখনৰ কোনো দিশতে উন্নয়ণ সম্ভৱপৰ হব নোৱাৰে। লগতে মই এই প্ৰসঙ্গতে কেইটামান কথা বিজুলী বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় তথা আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

অপৰিকল্পিতভাৱে গাওঁ আৰু চহৰবিলাকত বিজুলী যোগান দিবলৈ গৈ বিভিন্ন সা-সৰঞ্জাম আদি নষ্ট কৰিছে। এটা লাইন টনাৰ পিছত যেতিয়া ৰতাহে সেই বিলাক পেলাই দিয়ে তেতিয়া সেই পেলাই দিয়া খুটা বিলাক ভাঙি গলনে বা অন্য ধৰণে নষ্ট হল সেইবিলাক পৰ্য্যবেক্ষণ কৰিবলৈ যোৱাটো আমাৰ দৃষ্টি গোচৰ হোৱা নাই।মই বিশেষকৈ গোৱালপাৰা মহকুমাৰ কথাই কব খুজিছো। বিদ্যুৎ যোগানৰ কাৰণে এটা লাইন টানি লৈ গৈছে আৰু সেইদৰে ৬ মাহ মান পৰি থকাৰ পিছত গাঁৱৰ লৰা-ছোৱালীবিলাকে সেই তাঁৰবিলাক দোকানলৈ গৈ বিক্ৰী কৰি দিয়ে। কাৰণ তাঁৰৰ মূল্য বজাৰত বৰ বেছি। যেতিয়া পুনৰাই সেই খুটা বিলাকত তাঁৰ লগাবলৈ যাব তেতিয়া আৰু টকাৰ প্ৰয়োজন হব। আৰু টকা ধাৰ কৰিব লাগিব।

আমাৰ কিছুমান ব্যৱসায়ী আছে যি সকলে তেওঁবিলাকৰ মিটাৰ বিলাক অচল কৰি কাৰখানা আদি চলাই থাকে। এই বিলাক কথা সংশ্লিষ্ট বিষয় ববীয়া সকলো জনা স্বত্বেও তাৰ কোনো বিহিত ব্যৱস্থা নোলোৱাৰ কাৰণে এই দৰে মিটাৰ অচল কৰি কাম-কাজ বিলাক চলাই থকাৰ কাৰণে লাখ লাখ টকা বিদ্যুৎ পৰিষদলৈ নাহে। এনেবোৰ ঘটনা ঘটি থাকিলে শশ কোটি টকা ধাৰ কৰি খৰছ কৰি থাকিলেও বিদ্যুৎ যোগানৰ ক্ষেত্ৰত আমি আগুৱাব নোৱাৰিম।গতিকে টকা ধাৰে লোৱাৰ লগতে যিখিনি টকাৰ কাম কৰা হয় সেইখিনিৰো ৰক্ষণাবেক্ষণ দিব লাগিব। সেই খিনি কৰিব পাৰিলেহে আৰি এই দিশত আগুৱাব পাৰিম। এইখিনিকে মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মহম্মদ নুৰুল হোছেইন ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে এই যে ২৫০ কোটি টকাৰ ধাৰৰ কথাটো কৈছে সেই টকাটো ক'ত খৰছ কৰিব তাত আমাৰ সন্দেহ হৈছে। এই বিভাগটো হৈছে এটা আন্দোলনকাৰী বিভাগ।

Mr. SPEAKER : Hon. Member will pleose try to speak in Perliamentary Language and not unparliamentary wards.

মহম্মদ নুৰুল হোছেইন ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই এই কাৰণেই এই বিভাগটোক আন্দোলন-কাৰী বিভাগ বুলি কৈছো কিয়নো———

